3 (Sem–2) ASM L

Bijni College Library
P.O.-Bijni, Dist.-Chirang
(B.T.A.D) Assam

2013

# ELECTIVE ASSAMESE

*Full Marks* : 60

*Time* : 2½ hours

*The figures in the margin indicate full marks for the questions*

১। *এটা* শব্দ বা বাক্যত উত্তৰ লিখা : ১×৭=৭

(ক) মেক্স মুলাৰে ভাৰত-ইউৰোপীয় পৰিয়ালৰ কোনটো নাম সমৰ্থন কৰিছিল ?

(খ) অসমত প্ৰচলিত ভাৰত-ইউৰোপীয় পৰিয়ালৰ প্ৰধান ভাষাটো কি ?

(গ) গ্ৰীয়াৰ্ছনৰ মতে মাগধী অপভ্ৰংশ পূব দিশত কেইটা দিশেৰে বিয়পি পৰিছিল ?

(ঘ) অৰুণাচলত প্ৰচলিত সংযোগী ভাষাটো কি নামেৰে জনা যায় ?

(ঙ) অসমীয়া, বাংলা আৰু উড়িয়া ভাষাৰ কোনটো অপভ্ৰংশৰ পৰা জন্ম হৈছে ?

(চ) কামৰূপী উপভাষাত শ্বাসাঘাত শব্দৰ কোনটো অক্ষৰত পৰে ?

(ছ) 'তৎসম' শব্দৰ অৰ্থ কি ?

২। চমুকৈ উত্তৰ লিখা : ২×৪=৮

(ক) দেৱানন্দ ভঁৰালীয়ে অসমীয়া প্ৰাকৃতক দুটা ভাগত ভাগ কৰিছে। সেইকেইটা কি কি?

(খ) পালি ভাষাৰ দুটা প্ৰধান ধ্বনিগত বিশেষত্ব উদাহৰণসহ উল্লেখ কৰা।

(গ) অসমত প্ৰচলিত আৰ্য-ভিন্ন ভাষাগোষ্ঠী কেইটা আৰু কি কি?

(ঘ) মান্য অসমীয়া আৰু গোৱালপৰীয়া উপভাষাৰ দুটা প্ৰধান ৰূপতাত্ত্বিক পাৰ্থক্য উল্লেখ কৰা।

৩। যি কোনো তিনিটা প্ৰশ্নৰ উত্তৰ লিখা : ৫×৩=১৫

(ক) ভাৰত-ইউৰোপীয় ভাষা-পৰিয়ালৰ ভাষাৰ সাধাৰণ বৈশিষ্ট্যবোৰৰ বিষয়ে চমুকৈ লিখা।

(খ) অসমীয়া আৰু বাংলা ভাষাৰ প্ৰধান ধ্বনিগত পাৰ্থক্যৰ বিষয়ে উদাহৰণসহ বিশ্লেষণ কৰা।

(গ) আধুনিক ভাৰতীয় আৰ্যভাষা হিচাপে অসমীয়া ভাষাৰ স্বতন্ত্ৰ ভাষাগত বৈশিষ্ট্যসমূহ নিৰ্ণয় কৰা।

(ঘ) অষ্ট্ৰিক ভাষাগোষ্ঠীৰ প্ৰধান শাখা দুটাৰ বিষয়ে বহলাই আলোচনা কৰা।

(ঙ) কামৰূপী উপভাষাত অপিনিহিতিৰ প্ৰয়োগ সম্পৰ্কে উদাহৰণসহ লিখা।

৪। (ক) কিহৰ ওপৰত ভিত্তি কৰি ভাৰত-ইউৰোপীয় ভাষাৰ 'কেন্তুম' আৰু 'সতম' বিভাজন কৰা হৈছে? দুয়োটা বিভাজনৰ অন্তৰ্গত শাখাসমূহৰ নাম উল্লেখ কৰি এটা আলোচনা যুগুত কৰা। ১০

*অথবা*

(খ) ভাৰতীয় আৰ্যভাষাৰ প্ৰাচীন স্তৰৰ পৰা বৰ্তমান স্তৰলৈ ক্ৰমবিকাশৰ এটি পৰ্যালোচনা দাঙি ধৰি অসমীয়া ভাষাৰ উদ্ভৱত কোন স্তৰৰ, কোন ভাষাৰ লগত সম্বন্ধ অধিক, বিশ্লেষণ কৰি দেখুওৱা।

৫। (ক) অসমীয়া ভাষাৰ জন্ম সম্পৰ্কে থকা বিভিন্ন মতসমূহ আলোচনা কৰি ইয়াৰে কোনটো মত তুমি গ্ৰহণযোগ্য বুলি ভাবা, অভিমত আগবঢ়োৱা। ১০

*অথবা*

(খ) অসম আৰু ওচৰ-চুবুৰীয়া ৰাজ্যসমূহত প্ৰচলিত তিব্বত-বৰ্মীয় ভাষা-পৰিয়ালৰ ভাষাসমূহৰ চমু পৰিচয় দাঙি ধৰি এটি আলোচনা যুগুত কৰা।

৬। (ক) অসমীয়া ভাষাৰ উপভাষা সম্পৰ্কে এটি প্ৰবন্ধ লিখা। ১০

*অথবা*

(খ) অসমীয়া ভাষাৰ শব্দমালাৰ সমৃদ্ধিত থলুৱা ভাষাসমূহৰ বৰঙণি সম্পৰ্কে বিৱৰি লিখা।

★ ★ ★